**2016**

# ASSAMESE

( Major )

Paper : 2.1

**( Asamiya Sahityar Buranji )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) 'কথাভক্তি ৰত্নাৱলী' কাৰ ৰচনা?

(খ) 'ঘোষা ৰত্ন' কোনে ৰচনা কৰে?

(গ) ভাগৱত আচাৰ্য্য কাৰ শিষ্য?

(ঘ) 'পদগীতা'ৰ ৰচক কোন?

(ঙ) কবি শেখৰে মহাভাৰতৰ কোনটো পৰ্ব অনুবাদ কৰিছিল?

(চ) বকুল কায়স্থই ৰচনা কৰা পুথিখন কি?

(ছ) ভৱানন্দ দ্বিজে ৰচনা কৰা চৰিতখন কি?

(জ) 'স্যমন্ত হৰণ' নাটৰ নাট্যকাৰ কোন?

(ঝ) 'অভিমন্যু বধ' কাব্যখন কাৰ ৰচনা?

(ঞ) ব্ৰন্সনৰ 'অসমীয়া অভিধান' প্ৰথমে কোন চনত প্ৰকাশ পায়?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) গোপীনাথ পাঠকৰ পিতৃ কোন? গোপীনাথে মহাভাৰতৰ কি কি পৰ্ব অসমীয়ালৈ অনুবাদ কৰিছিল?

(খ) ৰামচৰণ ঠাকুৰ কাৰ পুত্ৰ? এওঁ শঙ্কৰদেৱৰ কোনখন গ্ৰন্থ পদত ভাঙনি কৰে?

(গ) সাগৰখড়ি কৈৱৰ্তকৰ ঘৰ ক'ত আছিল? তেওঁ ৰচনা কৰা কাব্যখন কি?

(ঘ) ৰত্নাকৰ মিশ্ৰই ৰচনা কৰা গ্ৰন্থ দুখন কি কি?

(ঙ) 'যোগিনীতন্ত্ৰ' কোন সময়ৰ ৰচনা? পুথিখনৰ ৰচক কোন?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) গদ্যত লিখা চৰিতপুথিৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(খ) বুৰঞ্জী সাহিত্যৰ প্ৰকৃতি আৰু প্ৰকাৰভেদ সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

(গ) অসমীয়া চুফীমূলক সাহিত্যৰ বিষয়ে এটি আলোচনা যুগুত কৰা।





(ঘ) অসমীয়া ভাষা-সাহিত্যলৈ আনন্দৰাম ঢেকিয়ালফুকনৰ অৱদান সম্পৰ্কে বিচাৰ কৰা।

(ঙ) বংশাৱলী সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

৪। (ক) ভট্টদেৱৰ সাহিত্যকৃতিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) কবিৰাজ চক্ৰৱৰ্ত্তীৰ সাহিত্যৰাজিৰ আভাস দি এটি নিবন্ধ যুগুত কৰা।

(গ) উত্তৰ-শংকৰী যুগত কৰা মহাভাৰতৰ ভাঙনি সম্বন্ধে এটি আভাস দিয়া। ১০

*অথবা*

(ঘ) অৰুণোদয় যুগৰ সাহিত্যৰ পটভূমি বিচাৰ কৰি সেই যুগৰ অসমীয়া লেখকসকলৰ বিষয়ে পৰিচয় দাঙি ধৰা।

(ঙ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতিৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(চ) পদ্মনাথ গোহাঞিবৰুৱাৰ নাটক সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

(ছ) 'জোনাকী' কাকতৰ জৰিয়তে অসমীয়াত আত্মপ্ৰকাশ কৰা ৰোমাণ্টিক কবিতা সম্বন্ধে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(জ) 'আৱাহন' কাকতত প্ৰকাশিত অসমীয়া চুটিগল্পৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

★★★